# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ          বিষয় ঃ ভাষা-১ (অসমীয়া)          দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (**Grey area**) ঃ- পঠন কৌশল (২০১৭ ৰ গুণোৎসৱৰ ফলাফল অনুসৰি)

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ**

ক) যতি বিৰাম চিহ্ন

⇨ ছাত্ৰ-ছাত্ৰীয়ে দাড়ি, কমা, প্ৰশ্নবোধক, ভাৱবোধক, উৰ্ধকমা, বন্ধনী, হাইফেন, চেমিকলন, ডেচ চিনৰ ব্যৱহাৰ কৰিব পাৰিব।

⇨ পঠনৰ বেগ বৃদ্ধি কৰিব পাৰিব।

খ) পঠন বোধ

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল/মে/জুন)লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| (ক) মিত্ৰামিত্ৰ | পাঠ নং ৬ |
| (খ) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা | পাঠ নং ৭ |
| (গ) বেবেৰিবাং | পাঠ নং ৮ |
| (ঘ) আইতাক মই কিদৰে পঢ়িবলৈ শিকালোঁ | পাঠ নং ৯ |

**পাতনি ঃ**

এই সামগ্ৰীখিনি "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ বাবে দৃষ্টি ৰখা হৈছে।

২০১৭ ইং চনৰ শিক্ষাবৰ্ষত অনুষ্ঠিত হৈ যোৱা তিনিওটা পৰ্যায়ৰ গুণোৎসৱৰ ফলাফলত দেখা গৈছে যে কিছুমান শিকনৰ ফলাফল আশানুৰূপ হোৱা নাই। বিশেষকৈ ষষ্ঠ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ পঠন বোধৰ ক্ষেত্ৰত শিকন ঘাটি দেখিবলৈ পোৱা গৈছে। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ পাঠৰ বাক্য, দফা, পঢ়ি বুজি নাপায়। ফলত সেই বিষয়ে প্ৰশ্ন সুধিলে শুদ্ধ উত্তৰ ক'ব আৰু লিখিব নোৱাৰে। পঠনৰ বোধৰ ক্ষেত্ৰত দেখা দিয়া শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহ (Grey area) বাছি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ পঠন বোধৰ পৰিপুষ্টি সাধনৰ বাবে নতুন পদক্ষেপ ল'ব লাগিব।

পঠন ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল। ই ভাষাৰ লিখিত ৰূপৰ পৰা অৰ্থ উলিওৱাৰ এক দক্ষতা। পঠন শিক্ষা দানৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন ক্ষমতা গঢ়ি তোলা। অধ্যয়ন দক্ষতা আৰু অধ্যয়ন অভ্যাস এই দুয়োটা মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয়।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ (NCF)তো পঠনৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। ভাষা শিক্ষাৰ মূলক্ষেত্ৰ হিচাপে পঠনৰ ওপৰত গুৰুত্ব দিয়াত দেখা গৈছে যে বিদ্যালয়ৰ পাঠ্যক্ৰমত তথ্যৰ বোজা আৰু মুখস্থ কৰা অনুশীলনৰ ওপৰত গুৰুত্ব দিয়াত পঢ়াৰ আনন্দ ছাত্ৰ-ছাত্ৰীয়ে হেৰুৱাই পেলাইছে। NCF ২০০৫ এ বিদ্যালয়ৰ প্ৰতিটো স্তৰতে ব্যক্তিগত পঠনৰ সুবিধা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

পঠন স্বাভাৱিকভাৱে আয়ত্ত কৰিব পৰা দক্ষতা নহয়, ইয়াক যথেষ্ট প্ৰচেষ্টা আৰু অনুশীলনেৰে আয়ত্ত কৰিব পাৰি। সেয়েহে শ্ৰেণীকক্ষত প্ৰয়োজনীয় ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত পৰিমাণৰ অনুশীলনৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। সেয়েহে পঠন দক্ষতা আহৰণত দেখা দিয়া দুৰ্বল দিশসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ শিকনত

সহায় কৰিবলৈ ওপৰত উল্লিখিত শিকনৰ ফলাফল সমূহৰ গুৰুত্ব অপৰিসীম।

লিখিত পাঠ পঢ়ি বুজি পোৱাটোৱেই পঠনৰ মূল লক্ষ্য। ভাষা শিকনত পঠন কৌশলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

⇨ অকল ভাষা শিকনেই নহয়, বিদ্যায়তনিক সকলোবোৰ বিষয় শিকিবলৈ ছাত্ৰ-ছাত্ৰীৰ পঠন অৰ্হতাৰ প্ৰয়োজন।

⇨ পঠন অৰ্হতা অবিহনে পাঠ্যপুথিৰ উপৰি পাঠ বহিৰ্ভূত পাঠৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ কমি যায়।

⇨ যিহেতু ব্যক্তি এগৰাকীয়ে ভাষাৰ জৰিয়তে চিন্তা-চৰ্চা কৰে, সেয়েহে ব্যক্তিৰ পঠন অবিহনে তেওঁৰ চিন্তা চৰ্চা কৰাৰ দক্ষতা সীমিত হৈ থাকে।

**এই সমল সামগ্ৰীটোৰ পৰা আমি কি শিকিব পাৰিম ঃ**

এই সমল সামগ্ৰীখিনি অধ্যয়ন কৰি শিক্ষক হিচাপে আমি পঠন দক্ষতা বিকাশৰ বাবে-

⇨ সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশ গ্ৰহণ নিশ্চিত কৰিবৰ বাবে ক্ৰিয়া-কলাপ অনুশীলনৰ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।

⇨ আৰম্ভণিৰে পৰা সঠিকভাৱে পঠনৰ ওপৰত গুৰুত্ব দিবলৈ চেষ্টা কৰিম।

⇨ পঠনৰ দুৰ্বল দিশসমূহ চিনাক্তকৰণ কৰি বাৰে বাৰে অভ্যাস, অনুশীলনৰ যোগেদি দূৰীকৰণৰ বাবে প্ৰচেষ্টা ল'ম।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত (পঠনৰ) অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

**পঠন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

বৰ্তমান সময়ত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পঠনত পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে পঠনত যতিচিহ্নৰ ব্যৱহাৰ শুদ্ধকৈ নজনাৰ ফলত তেওঁলোকে পঠন কৰিলেও বুজি নাপায়। পঠন দক্ষতাৰ বিকাশ হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে যি কোনো পঠন সামগ্ৰী পঢ়ি বুজি পাব লাগিব। শিক্ষক হিচাপে আমি এই কথাও মনত ৰাখিব লাগিব যে ছাত্ৰ-ছাত্ৰীয়ে দাড়ি, কমা, উৰ্ধকমা, প্ৰশ্নবোধক, ভাৱবোধক আদি যতিচিহ্নৰ ব্যৱহাৰ পঠনৰ পৰাই শিকে।

অনুৰাধা গগৈ শদিয়াৰ ওচৰৰ এখন গাঁৰৰ ষষ্ঠ শ্ৰেণীত ভাষা - (অসমীয়া) পঢ়ুওৱা শিক্ষয়িত্ৰী। তেওঁ শ্ৰেণীত পাঠ পঢ়িবলৈ দিওঁতে মন কৰিছিল যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যতি চিহ্নৰ ব্যৱহাৰ নকৰাকৈ একেই গতিত পঢ়ি যায়, ফলত পাঠটোৰ মূলভাৱ বুজি নাপায়। সেয়েহে অনুৰাধা গগৈৰে শ্ৰেণীকোঠাত কেনেকুৱা ক্ৰিয়া-কলাপৰ জৰিয়তে যতিচিহ্নৰ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পঠন বোধৰ পৰিপুষ্টি সাধন কৰিছিল ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) দাড়ি, কমা, প্ৰশ্নবোধক, ভাৱবোধক, উৰ্দ্ধকমা, বন্ধনী, হাইফেন, চেমিকলন, ডেচ চিনৰ ব্যৱহাৰ কৰিব পৰা। | যতি চিহ্নৰ ব্যৱহাৰ থকা বাক্যকাৰ্ড | ক্ৰিয়া-কলাপ | ক) প্ৰশ্নঃ- তলৰ দফাটো যতিচিহ্ন মানি পঢ়া— তোমাক কি লাগে তোমাৰ নাম কি বামুণে উত্তৰ দিলে মই মিঠাই খাবলৈ আহিছোঁ মোৰ নাম মাখি এই বুলি বামুণে টপকৰে মিঠৈ মুখত সুমাবলৈ ধৰিলে। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| খ) পঠনৰ বেগ বৃদ্ধি হ'ব। | পুৰণি বাতৰি-কাকতৰ দফা | ক্ৰিয়া-কলাপ | খ) তলত দিয়া বাক্যকেইশাৰী যতিচিহ্ন অনুসৰি পঢ়া —I) মোৰ নাম ৰহিম।<br>II) বাঃ, কি সুন্দৰ চিত্ৰ!<br>III) "কি হৈছে আইতা? আপোনাৰ গা বেয়া লাগিছে নেকি?" | |
| গ) পঠনবোধ | | | পাঠ বহিৰ্ভূত যিকোনা দফা পঢ়ি প্ৰশ্নৰ উত্তৰ দিব পৰা। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

**প্ৰস্তুতি**

অনুৰাধা গগৈয়ে 'অংকুৰণ' ষষ্ঠ ভাগ পাঠ্যপুথিৰ উপৰি যতি চিহ্ন ব্যৱহাৰ কৰি আগতীয়াকৈ ১০খন সৰু সৰু নাটিকা প্ৰস্তুত কৰি লৈছিল। নাটিকাবোৰ ৩জন ছাত্ৰ-ছাত্ৰীয়ে ২ মিনিটত পঢ়িব পৰাকৈ লিখিছিল।

তেওঁ ৬ নং পাঠটো (মিত্ৰামিত্ৰ) শ্ৰেণীকক্ষত পঢ়ুৱাবলৈ যোৱাৰ আগতে এটা পৰিকল্পনা কৰিছিল। এই পাঠটো নাটকীয় সংলাপেৰে পূৰ্ণ। এই পাঠটো সচৰাচৰ পাঠ পঢ়াৰ দৰে সৰৱ পঠন দিলে ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপাব। সেয়েহে প্ৰথম দৃশ্যৰ কথা খিনি শুদ্ধ, স্পষ্ট উচ্চাৰণেৰে নাটকীয়া ভংগিমাত পঢ়িছিল। পুনৰ ছাত্ৰ-ছাত্ৰীসকলক ৩/৪ জনকৈ দলত ভাগ কৰি প্ৰথম দৃশ্যত থকা মহাৰাজ, মহাৰাণী, দ্বাৰপালৰ সংলাপ খিনি কিতাপ চাই পঢ়িবলৈ দিছিল। তেওঁলোকে পঢ়ি থাকোঁতে প্ৰত্যেকজনকে যতি বিৰাম চিহ্ন ব্যৱহাৰ কৰি পঢ়িছেনে নাই পৰ্যৱেক্ষণ কৰিছিল। দুৰ্বল ছাত্ৰ-ছাত্ৰীক পুনৰ পঢ়িবলৈ সুযোগ দিছিল। এনেদৰে প্ৰথম দৃশ্যৰ নাটকৰ সংলাপখিনি ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দলত নিজৰ মাজতে আওৰাইছিল আৰু অনুৰাধা বাইদেউৰ নিৰ্দেশনাত নাটকৰ সংলাপবোৰ যতি চিন ব্যৱহাৰ কৰি পঢ়িছিল।

শ্ৰেণীকোঠাৰ পঠনত দুৰ্বল ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ পঢ়াৰ ওপৰত বিশেষকৈ গুৰুত্ব দিছিল।

তেওঁ মন কৰিছিল যে, 'মিত্ৰামিত্ৰ' পাঠটিত বিভিন্ন যতিচিহ্নৰ ব্যৱহাৰ, যেনে— দাড়ি, কমা, ভাৱবোধক চিন, প্ৰশ্নবোধক চিন, উৰ্ধকমা, হাইফেন, বন্ধনীৰ ব্যৱহাৰ বাৰে বাৰে কৰা হৈছে। এই চিনবোৰৰ শুদ্ধ প্ৰয়োগেহে পাঠৰ শুদ্ধবোধ আয়ত্ত কৰাত সহায় কৰিব পাৰে। তেওঁ ঘৰতে এই চিনবোৰ ব্যৱহাৰ কৰি সৰু সৰু পটভূমিত ৪/৫ জনে কৰিব পৰাকৈ নাটক লিখি ছাত্ৰ-ছাত্ৰীক দলগতভাৱে শ্ৰেণীকক্ষত সংলাপ পঢ়িবলৈ দিছিল। ক্ৰিয়া-কলাপটো কৰি ছাত্ৰ-ছাত্ৰীয়ে আনন্দ পাইছিল আৰু তাত সক্ৰিয়ভাৱে জড়িত হৈছিল।

পুনৰ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজে জনা ঘটনা, সাধুৰ আলমত দলগতভাৱে আলোচনা কৰি নাট্যৰূপ লিখাত শ্ৰেণীকক্ষত প্ৰদৰ্শন কৰিবলৈ দিছিল। এই ক্ষেত্ৰত ছাত্ৰ- ছাত্ৰীসকলক তেওঁ উৎসাহ যোগোৱাৰ লগতে লিখাত সহায় কৰিছিল।

এনেদৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিদিনে ক্ৰিয়া-কলাপ, অনুশীলন দিয়াৰ পাছত সিহঁতে যতিচিহ্নৰ ব্যৱহাৰ কৰি পঠন কাৰ্য কৰিব পাৰিছিল।

**চিন্তা কৰি চাওঁ আহক ঃ**

অনুৰাধা গগৈৰ ক্ৰিয়া-কলাপ আৰু পৰিকল্পনাৰ আঁত ধৰি ভাবি চাওঁচোন—

⇨ অনুৰাধা গগৈৰে সঠিক যতিচিহ্নৰ ব্যৱহাৰ কৰি কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ পঠন বোধ সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিছিল?

⇨ যতি চিহ্নৰ সঠিক ব্যৱহাৰৰ কাৰণে অনুৰাধা গগৈয়ে কৰা ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশ গ্ৰহণৰ বাবে কি ব্যৱস্থা লৈছিল?

⇨ অনুৰাধা গগৈৰে যতিচিহ্ন ব্যৱহাৰ সম্পৰ্কীয় ক্ৰিয়া-কলাপ কৰোঁতে পাঠ্যপুথি খন থকা স্বত্তেও কিয় অন্য পঠন সামগ্ৰী ব্যৱহাৰ কৰিছিল?

অনুৰাধা গগৈয়ে কৰা ক্ৰিয়া-কলাপৰ দৰে আমিও আমাৰ শ্ৰেণীকোঠাত কৰি চাওঁ আহক ঃ-

**ক্ৰিয়া-কলাপ ঃ ১**

ছাত্ৰ-ছাত্ৰীসকলে পঢ়ি যাওঁতে শুদ্ধকৈ উচ্চাৰণ কৰি, যতি চিহ্ন ব্যৱহাৰ কৰি পঢ়িব নোৱাৰে। ফলত পঢ়ি বুজি নাপায় আৰু পঠনত ঘাটি থাকি যায়। এনে সমস্যাৰ সমাধানৰ বাবে আমি শ্ৰেণী কক্ষত নিম্নোক্ত ক্ৰিয়া-কলাপসমূহ কৰাব পাৰোঁ।

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কাৰ্যকৰী কৰাবৰ কাৰণে আমি তলত দিয়া ধৰণে কিছুমান শিক্ষণ-শিকন সামগ্ৰী আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব পাৰোঁ।

⇨ পাঠ্যপুথি ঃ অংকুৰণ।

⇨ যতিচিহ্নৰ ব্যৱহাৰ থকা বাক্যকাৰ্ড।

⇨ বাতৰি-কাকতৰ পৰা কাটি লোৱা দফাৰ কাৰ্ড

⇨ বুঢ়ী আইৰ সাধু

মই ছাত্ৰ-ছাত্ৰীসকলক ‘ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা’ পাঠটোৰ প্ৰথম পৃষ্ঠাৰ কথাখিনি শুদ্ধ, স্পষ্ট, উচ্চাৰণেৰে সৰৰ পঠন দিম, ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ পাঠ্যপুথিত চাই যাব। পুনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা এজন বা দুজনক পঢ়িবলৈ দিম। পঠনত দুৰ্বল ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে অনুশীলন কৰাৰ ওপৰত গুৰুত্ব দিম। পঢ়ি যাওঁতে যতি চিহ্নৰ শুদ্ধ ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিম আৰু বাৰে বাৰে অনুশীলন কৰাম। পঠনত হোৱা ভুলবোৰ ততালিকে শুধৰাই দিম।

পাঠৰ লগত সংগতি ৰাখি পাঠ্যপুথিৰ ৫৬ নং পৃষ্ঠাত থকা ‘লট্‌কন’ সাধুটো মই সম্পূৰ্ণকৈ পঢ়াবৰ বাবে ‘বুঢ়ী আইৰ সাধু’ পুথিখন শ্ৰেণীকোঠালৈ লৈ যাম আৰু সাৱলীলভাৱে পঢ়িম। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক ইয়াৰ পৰা ৫ শাৰীকৈ বাক্য যতি চিহ্নৰ শুদ্ধ ব্যৱহাৰ কৰি পঢ়িবলৈ দিম। এনেদৰে সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰি লট্‌কন সাধুটো পঢ়িবলৈ দিলে তেওঁলোকে সাধুকথাৰ দৰে ৰসাল বিষয় পঢ়ি আনন্দদায়ক পৰিৱেশত পঠন কৌশল আয়ত্ত কৰিব পাৰিব আৰু বিভিন্ন বিষয়ৰ বিষয়ে পঢ়িবলৈ আগ্ৰহী হ’ব। পাঠ্যপুথিৰ উপৰি অন্যান্য প্ৰাসংগিক কিতাপ সঠিক যতি চিহ্নৰ ব্যৱহাৰ কৰি পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ প্ৰচেষ্টা লওঁ।

**ক্ৰিয়া-কলাপ ঃ ২**

বাতৰি-কাকত পঢ়ি যাওঁতে যতিচিহ্নৰ বহুল ব্যৱহাৰ থকা দফা কিছুমান কাটি সংগ্ৰহ কৰি থ’ব পাৰি। শ্ৰেণীকক্ষত এই দফাবোৰ ৪ জনীয়া একোটা দলৰ মাজত ভগাই, দফাটোত কি কি যতি চিহ্ন ব্যৱহাৰ হৈছে তাৰ তালিকা প্ৰস্তুত কৰিবলৈ দিব পাৰি। প্ৰতিটো দলে পঢ়ি যাব আৰু শিক্ষকে পৰ্যৱেক্ষণ কৰি শুধৰাই দিব। শিক্ষকে মাজে মাজে এই বিষয়ে প্ৰশ্ন সুধিব পাৰে; উদাহৰণ স্বৰূপে- তুমি পঢ়া দফাটোত থকা এটা প্ৰশ্নবোধক বাক্য পঢ়াচোন। শুদ্ধকৈ ক’ব পাৰিলে দলৰ আন এজন ছাত্ৰ-ছাত্ৰীক বাক্যটোৱে কি অৰ্থ প্ৰকাশ কৰিছে সুধিব পাৰে। এনেদৰে সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰি ক্ৰিয়া-কলাপ কৰাব পাৰি। এনেদৰে বাৰে বাৰে যতিচিহ্ন সঠিক ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক অনুশীলন কৰালে পঠনবোধ আয়ত্ত হ’ব।

*বিঃ দ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

পঠন দুৰ্বলতা দূৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ প্ৰয়োজন। যতি চিহ্নৰ ব্যৱহাৰ কৰি আখৰ, শব্দ, বাক্যৰ লিখিত ৰূপ **পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠন বোধ**। ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে যতি-বিৰাম চিহ্নৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা জটিলতা দূৰ কৰিব পৰা দেখা গৈছে। অনুৰাধা গগৈয়ে নাটকীয় সংলাপৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীক যতি বিৰাম চিহ্নৰ ব্যৱহাৰ আনন্দদায়ক পৰিৱেশত শিকোঁৱাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। পাঠ আৰু পাঠ বহিৰ্ভূত ৰচনাৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি শিক্ষকে শিক্ষণ-শিকন প্ৰক্ৰিয়াত নতুনত্ব আনিছে।

**ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন ঃ**

⇨ তলৰ দফাটো যতি চিহ্নৰে পূৰাই পঢ়া -

তোমাক কি লাগে তোমাৰ নাম কি বামুণে উত্তৰ দিলে মই মিঠাই খাবলৈ আহিছোঁ মোৰ নাম মাখি এই বুলি বামুণে টপকৰে মিঠৈ মুখত সুমুৱাবলৈ ধৰিলে

⇨ তলত দিয়া বাক্যকেইশাৰী যতি চিহ্ন অনুসৰি উপযুক্ত সুৰ-লহৰ লগাই পঢ়া -

  ⇨ মোৰ নাম ৰহিম।

  ⇨ বাঃ, কি সুন্দৰ চিত্ৰ!

⇨ “কি হৈছে আইতা ? আপোনাৰ গা বেয়া লাগিছে নেকি”?

মই সুধিলোঁ- “কিবা ক’ব আইতা ?”

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ পাঠ নং ৯ (আইতাক মই কিদৰে পঢ়িবলৈ শিকালোঁ) পাঠটিত কি কি যতি চিহ্ন ব্যৱহাৰ কৰা হৈছে সেইবোৰৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো চিহ্নৰ বিপৰীতে তাৰ নাম লিখি পঢ়া।

⇨ পাঠ নং ৭ (ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা) পাঠটিত পোৱা যতি চিহ্নবোৰ উলিয়াই এখন তালিকা প্ৰস্তুত কৰা আৰু পঢ়া।

- ➩ ভাৱবোধক চিন ( !) ব্যৱহাৰ কৰি ৫ টা বাক্য লিখা।
- ➩ উৰ্ধকমা, বন্ধনী ব্যৱহাৰ কৰি ৩ টাকৈ বাক্য লিখা।
- ➩ দাড়ি, কমা, প্ৰশ্নবোধক, উৰ্ধকমা ব্যৱহাৰ কৰি এটা দফা লিখা আৰু পঢ়া।

**প্ৰসংগ টোকা ঃ**

- ➩ পাঠ্যপুথি - অংকুৰণ ।
- ➩ অসমীয়া ব্যাকৰণ প্ৰৱেশ- ড. গোলোক চন্দ্ৰ গোস্বামী
- ➩ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি - হলিৰাম দাস
- ➩ বুঢ়ী আইৰ সাধু-লক্ষ্মীনাথ বেজবৰুৱা।
- ➩ চন্দ্ৰকান্ত, হেমকোষ অভিধান।

■ ■ ■